# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-JUNE-2026 **Time :** 1205 HRS

***<u>Assamese Morning Bulletin</u>***
***<u>HEADLINE</u>***

১। প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত দেশৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত অসমৰ স্থান লাভ।
২। ৰাজ্য চৰকাৰৰ পঞ্জীয়নভুক্ত কৃষকৰ সংখ্যা ৪০ লাখলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ।
৩। আন্তৰ্জাতিক মাদক দ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচীৰ আয়োজন।

আৰু

৪। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত অষ্ট্ৰেলিয়া আৰু পেৰাগুৱেৰ মাজৰ গ্ৰুপ ডি-ৰ খেলখন গ'ল শূন্যভাৱে ড্ৰ'। অষ্ট্ৰেলিয়াৰ নকআউট পৰ্যায়ত প্ৰৱেশ।

00000000

অসমে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত দেশৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত স্থান লাভ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামূলীয়া বিদ্যুৎ বিজুলী যোজনাৰ সফল ৰূপায়ণে অসমক দেশৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ মাজত স্থান দিছে। তেওঁ লগতে কয়, যে ৰাজ্যৰ ১৭ দশমিক ৬ শতাংশ চাঁদত সৌৰ শক্তি সংযোগ লাভ কৰা উপভোক্তাৰ বিদ্যুৎ মাচুল শূন্য হৈ পৰিছে। সেউজ শক্তিৰ দিশত এয়া গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী সৌৰঘৰ আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত গুজৰাট প্ৰথম, মহাৰাষ্ট্ৰ দ্বিতীয়, উত্তৰপ্ৰদেশ তৃতীয়, অসম চতুৰ্থ আৰু কেৰলম পঞ্চম স্থানত আছে।

00000000

কৃষিমন্ত্ৰী পীযুষ হাজৰিকাই ৰাজ্য চৰকাৰে পঞ্জীয়নভুক্ত কৃষকৰ সংখ্যা ৪০ লাখলৈ বৃদ্ধি কৰাৰ লক্ষ্য লৈছে বুলি প্ৰকাশ কৰিছে। ৰাজ্যত বৰ্তমান ২৬ লাখ ৫০ হাজাৰ পঞ্জীয়নভুক্ত কৃষক আছে। পঞ্জীয়নভুক্ত কৃষকৰ সংখ্যা আৰু অধিক হ'ব লাগে যদিও আনৰ মাটি আধিয়া লৈ খেতি কৰা কৃষকে নাম পঞ্জীয়ন কৰিব নোৱাৰাৰ বাবে এই সংখ্যা কম হৈ আছে। মন্ত্ৰীগৰাকীয়ে কয়, যে আধিয়াকৈ খেতি কৰা কৃষকেও যাতে নাম পঞ্জীয়ন কৰিব পাৰে, তাৰবাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ কৰা হৈছে। খানাপাৰাৰ অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত কালি কৃষি বিশ্ববিদ্যালয় আৰু কৃষি বিভাগে যুটীয়াভাৱে আয়োজন কৰা ইণ্টাৰফেচৰ উদ্বোধনী অনুষ্ঠানৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী হাজৰিকাই কয়, যে কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে অসমত বীজ পাম স্থাপনৰ বাবে ১৫০ বিঘা মাটি বিচাৰিছে। এই পাম স্থাপনৰ বাবে ৪ ঠাইত ইতিমধ্যে মাটি চোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শ্ৰী হাজৰিকাই কয়, যে কৃষকক ভাল উদ্ভিদ শস্যৰ পুলি দিয়াৰ বাবে কঠীয়াতলীত উদ্ভিদ শস্যৰ পুলি প্ৰস্তুত কৰিবলৈ ১০০ বিঘা মাটিত এখন নাৰ্চাৰী স্থাপন কৰা হ'ব আৰু ভৱিষ্যতে এই নাৰ্চাৰীৰ অধিক সম্প্ৰসাৰণ কৰা হ'ব।

ভৱিষ্যতে ৰাজ্যৰ উদ্যান শস্য আৰু পাচলি উৎপাদনত অধিক গুৰুত্ব দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে দেশে চাহ, মাছ-মাংস, ফল-মূল আৰু শাক-পাচলিৰ দৰে কৃষিজাত সামগ্ৰী ৰপ্তানি কৰি কোটি কোটি ডলাৰ উপাৰ্জন কৰে যদিও এই ক্ষেত্ৰত অসমৰ অৱদান অতি নগন্য। শীঘ্ৰে এই পৰিস্থিতি সলনি হ'ব লাগিব

বুলি তেওঁ দৃঢ়তাৰে প্ৰকাশ কৰে। মাহজাতীয় শস্য আৰু ৰন্ধন তেল আমদানিৰ বাবে বৃহৎ পৰিমাণৰ ধন বহিঃৰাজ্যলৈ যোৱাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে কণী, মাছ, কুকুৰা আৰু গাহৰি আদিৰ উৎপাদন বৃদ্ধি কৰি অসমে সম্পূৰ্ণ স্বাৱলম্বিতা অৱলম্বন কৰা উচিত।

ইপিনে, মৰিগাঁও জিলা কৃষি বিভাগে কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া অধিক গতিশীল কৰাৰ উদ্দেশ্যে জিলাখনত একাধিক পদক্ষেপ লৈছে। জিলাখনৰ বিভিন্ন গাঁও-পঞ্চায়তত এতিয়ালৈকে পঞ্জীয়ন নকৰা কৃষকসকলক পঞ্জীয়নৰ আওঁতালৈ অনাৰ লক্ষ্যৰে বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে। এই শিবিৰসমূহত কৃষকসকলৰ পঞ্জীয়ন প্ৰক্ৰিয়া সহজ আৰু সুচলভাৱে সম্পন্ন কৰাৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ উপৰি কৃষকসকলক সহজে শস্য বীমাৰ সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যে এই শিবিৰসমূহত প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱা হৈছে।

00000000

এইবাৰ ২০২৮ চনৰ ভিতৰত অসমক ১০ লাখ কোটি টকাৰ অৰ্থনীতিলৈ উন্নীত কৰাৰ লক্ষ্যৰে এইবাৰ বাজেট প্ৰস্তুত কৰা হ'ব। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেট প্ৰস্তুতিৰ অংশ হিচাপে কালি গুৱাহাটীৰ লোকসেৱা ভৱনত ১৩ টা বিভাগত বাজেট প্ৰস্তাৱৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এইদৰে মন্তব্য কৰে। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে জনমুখী আৰু উন্নয়নমুখী বাজেটৰ জৰিয়তে অসমৰ সামগ্ৰিক বিকাশ ত্বৰান্বিত কৰাত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে এখন জনমুখী বাজেট প্ৰস্তুত কৰাৰ লক্ষ্যৰে বিভিন্ন দল-সংগঠন, ব্যক্তিৰ পৰা পৰামৰ্শ গ্ৰহণ কৰিছে।

0000000

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ কালি সামৰণি পৰে। যোৱা নিশা ১২ বাজি ২ মিনিট ১৩ ছেকেণ্ডত অম্বুবাচীৰ নিবৃত্তিৰ পাছত আজি সূৰ্যোদয়ৰ পাছতে দেৱীস্নান তথা নিত্য পূজাৰ অন্তত মন্দিৰৰ মূল দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হয়। কালিৰেপৰা শাৰী পাতি থকা হাজাৰ হাজাৰ ভক্তৰ ইতিমধ্যে মা কামাখ্যাৰ দৰ্শনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। আজি আৰু কাইলৈ বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। ভি আই পি পাছৰ ব্যৱস্থাও ৩০ জুনলৈ বন্ধ থাকিব। সাধাৰণ ভক্তৰ দৰ্শনৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসন আৰু মন্দিৰ কৰ্তৃপক্ষই এই ব্যৱস্থা গ্ৰহণ কৰিছে।

0000000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক মাদক দ্ৰব্যৰ অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মাদকদ্ৰব্যৰ অপব্যৱহাৰ ক্ৰমান্বয়ে গোলকীয় প্ৰত্যাহ্বানলৈ পৰিণত হৈছে। মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এইবছৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে – 'বিশ্বৰ ড্ৰাগছ সমস্যাঃ নিৰন্তৰ সমস্যা, নতুন প্ৰত্যাহ্বান, উদ্ভাৱনীমূলক সমিধান'। দিৱসৰ সৈতে সংগতি ৰাখি আজি পুৱা তামুলপুৰ জিলা সদৰত বড়োলেণ্ড সাংবাদিক সংস্থাৰ উদ্যোগত আৰু তামুলপুৰ প্ৰেছক্লাবৰ সহযোগত বিশেষ সজাগতামূলক চাইকেল সমদল উলিওৱা হয়। বি টি চিৰ কাৰ্যবাহী সদস্য লক্ষী ভজন দাসে পতাকা জোকাৰি এই সমদল মুকলি কৰে। তামুলপুৰ প্ৰেছ ক্লাবৰ পৰা দ্বাৰকুছি হৈ পুনৰ প্ৰেছক্লাবত সামৰণি পৰা এই সমদলত জ্যেষ্ঠ নাগৰিক, প্ৰাক্তন সৈনিক, আছু, আবছু, মহিলা ঐক্য মঞ্চ, সাহিত্য সভা, ক্ৰিকেট সংস্থাকে ধৰি অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

ৰাজ্যত শেহতীয়াকৈ বেজী অথবা চিৰিঞ্জেৰে মাদকদ্ৰব্যৰ আদান-প্ৰদানৰ ফলত এইচ আই ভি সংক্ৰমণ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। এনে সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ ৯ খন জিলা চিকিৎসালয়কে ধৰি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত এইচ আই ভিৰ পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে।

00000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি জাপানৰ ৰাষ্ট্ৰদূত কেঈচি অ'নোৰ সৈতে টেলিফোনযোগে কথা পাতে। এই আলোচনাত জাপানৰ ৰাষ্ট্ৰদূতগৰাকীয়ে ভাৰতৰ এক্ট-ইষ্ট নীতিৰ অধীনত অসমৰ সৈতে চলি থকা অংশীদাৰিত্ব, সহযোগিতা অধিক সুদৃঢ় কৰাৰ প্ৰতিশ্ৰুতি দোহাৰে। তেওঁলোকে লগতে ইলেকট্ৰনিক্‌চ, চেমি কণ্ডাক্টৰ, আন্তঃগাঁথনি, উৎপাদন উদ্যোগ আৰু উদ্যমশীলতাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা অধিক বিস্তৃত গতিশীল আৰু ফলপ্ৰসূ কৰি তুলিবলৈ সহমত প্ৰকাশ কৰে। অসমৰ জনসাধাৰণৰ বাবে অধিক বিনিয়োগ, উদ্যোগ আৰু অৰ্থনৈতিক সুযোগ সৃষ্টি কৰাৰ বাবে জাপানৰ উদ্যোগ, প্ৰতিষ্ঠানসমূহৰ সৈতে অধিক ঘনিষ্ঠ সহযোগিতা গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰ আগ্ৰহী বুলি মুখ্যমন্ত্ৰীয়ে কথোপকথনৰ সময়ত প্ৰকাশ কৰে।

oooooooo

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো অহা ২৮ জুনত ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস পালন কৰা হ'ব। এই দিৱসৰ অংশ হিচাপে সেইদিনা সকলো জিলাতে জন্মৰ পৰা ৫বছৰ বয়সৰ শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। স্বাস্থ্য বিভাগে ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস পালনৰ বাবে যাৱতীয় প্ৰস্তুতি চলাইছে। এই অনুসৰি ৰাজ্যৰ মুঠ ৪৫লাখ শিশুক পলিঅ' প্ৰতিষেধক প্ৰদানৰ বাবে প্ৰায় ২৪ হাজাৰ প্ৰতিষেধক বুথ কাৰ্যক্ষম কৰি তোলা হৈছে। পৰহিলৈৰ পাছত ২৯ আৰু ৩০ জুনত ভ্ৰাম্যমান স্বাস্থ্য দলে ঘৰে ঘৰে গৈ প্ৰতিষেধক প্ৰদান অভিযান চলাব। তদুপৰি বাছ আস্থান আৰু বজাৰ অঞ্চলৰ উপৰি ইটা ভাটা তথা চহৰৰ বস্তি অঞ্চলৰ শিশুসকলেও পলিঅ' প্ৰতিষেধক লাভ কৰাতো নিশ্চিত কৰা হ'ব। ৰাজ্যৰ প্ৰতিখন জিলাতে তিনিদিনীয়া এই অভিযান সুচাৰুৰূপে পৰিচালনাৰ বাবে বিদ্যালয় শিক্ষা বিভাগ, মহিলা আৰু শিশু বিকাশ বিভাগৰ কৰ্মচাৰীৰ উপৰি প্ৰায় ৯২ হাজাৰ স্বাস্থ্য বিষয়া, কৰ্মচাৰী আৰু আগশাৰীৰ স্বাস্থ্যকৰ্মী নিয়োজিত কৰা হ'ব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহালে সকলো পিতৃ-মাতৃক এই অভিযানৰ সময়ছোৱাত শিশুক দুটোপাল পলিঅ' প্ৰতিষেধক খোৱাই তেওঁলোকৰ জীৱন সুৰক্ষিত কৰিবলৈ আহ্বান জনাইছে।

oooooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱা ছেন ফ্ৰান্সিছক' বে'এৰিয়া ষ্টেডিয়ামত অনুষ্ঠিত অষ্ট্ৰেলিয়া আৰু পেৰাগুৱেৰ মাজৰ গ্ৰুপ ডি-ৰ খেলখন গ'ল শূণ্যভাৱে ড্ৰ' হোৱাৰ পাছত অষ্ট্ৰেলিয়াই নকআউট পৰ্যায়ত প্ৰৱেশ কৰে। একেটা গ্ৰুপৰে আন এখন খেলত আজি পুৱা তুৰস্কই আমেৰিকাক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

ইপিনে, প্ৰতিযোগিতাৰ আন এখন খেলত টিউনিচিয়াক ৩-১ গ'লত পৰাস্ত কৰা নেডাৰলেণ্ডছ নকআউট পৰ্যায়ত মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আজি পুৱা ডালাছ অনুষ্ঠিত জাপান আৰু ছুইডেনৰ মাজৰ গ্ৰুপ এফ-ৰ খেলখন ১-১ গ'লত ড্ৰ' হোৱাত দুয়োটা দল নকআউট পৰ্যায়ত প্ৰৱেশ কৰে। নকআউটত জাপান ব্ৰাজিলৰ সন্মুখীন হ'ব। ফিলাডেলফিয়াত অনুষ্ঠিত আন এখন খেলত আইভৰী ক'ষ্টে আজি কুৰাচাওক ২-০ গ'লত পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে বিশ্বকাপৰ নকআউট পৰ্যায়ত প্ৰৱেশ কৰে।

oooooooo

**সমাপ্ত**